# ভয়

**-শীলভদ্র**

## প্ৰশ্ন ১। ‘ভয়’ গল্পটিৰ মূল কথাখিনি নিজৰ ভাষাৰে কোৱা ।

উত্তৰঃ গল্পটিৰ মূলকথাখিনি এনেকৈ কোৱা । ‘ ‘ভয়’ গল্পটিৰ নায়ক ৰবীনৰ অনবৰতে মনত ভয় ভাব এটা লাগিয়েই থাকে ।

ৰাস্তাত খোজ কাঢ়োতে গাড়ী মটৰৰ কাৰণে ভয়,পোনাকণে ক্ৰিকেট খেলি থাকোতে ক্ৰিকেট বল গাত পৰি অঘটন ঘটাৰ ভয় , হঠাতে তেওঁ মৰি গ’লে ল’ৰা – ছােৱালী হাল আৰু তেওঁৰ পত্নী মলাৰ কি গতি হ’ব ইয়াকে ভাবি ভয় , ঘৰৰ দুৱাৰ খুলি থৈ পিছফালে কিবা কৰি থকাৰ সুযােগ লৈ চোৰ সােমাই ঘৰৰ বয়-বস্তু আনকি বাৰাণ্ডাত খেলি থকা কণমানি ছােৱালাজনী উঠাই লৈ যােৱাৰ ভয় , কেৱল ভয় আৰু ভয় ।

কাৰণ তেওঁ নিজ চকুৰে আনৰ এনে ঘটনা ঘটা দেখিছে , কাণেৰে শুনিছে । তেওঁৰ এই ভয়ৰ কাৰণে পত্নী পৰিবাৰৰ পৰা ‘ইমান ভয়াতুৰ মানুহ মই জনমত দেখা নাই’ বুলি গঞ্জনাও শুনিছে । ৰবীনে খাইছে , বইছে , দৰকাৰ হ’লে মাজে মাজে হাঁহিছেও অফিচৰ কাম ঠিকমতেই কৰিছে , সহকৰ্মীসকলৰ লগত নানা ৰকমৰ কথাও পাতিছে । তথাপি ইয়াৰ মাজতাে তেওঁৰ মনত অনবৰতে ভয় এৰা নিদিয়ে ।

সেইদিনা নিশা শুই থকা অৱস্থাতে কৰবাত আঁতৰত মানুহৰ হাই উৰুমি শুনা যেন পালে । তেওঁ অনুমান কৰিলে চুবুৰীৰ ভাৰাঘৰত থকা জহীৰুদ্দিনৰ ঘৰৰ ফালে গণ্ডগােল হৈছে । তেওঁ তৎক্ষণাত শােৱাৰ পৰা উঠি দুৱাৰ খুলি সেই ফালে যােৱাৰ উপক্ৰম কৰিলে । তাকে দেখি পত্নী ৰমলাই আতংকত চিঞৰি উঠিল—’এই ৰাতি তেওঁ ক’লৈ যায় ।

ৰবীনে নিৰ্ভয়ে উত্তৰ দিলে— ‘ জহীৰ ঘৰৰ ফালে ।’ আজি মই তাৰ ল’ৰা – ছােৱালীক ৰক্ষা নকৰিলে কাইলৈ মােৰ ল’ৰা – ছােৱালী কোনে ৰক্ষা কৰিব ?

‘ ৰবীনৰ তেতিয়া মনত অকণাে ভয় নাছিল ।

## প্ৰশ্ন ২। উত্তৰ দিয়া ।

**( ক ) ৰবীনৰ চৌবিশ ঘন্টাৰ লগৰীয়া কোন ?**

উত্তৰঃ ৰবীনৰ চৌবিশ ঘণ্টাৰ লগৰীয়া হ'ল- 'ভয় ' ।

**( খ ) ৰবীনৰ পৰিবাৰৰ নাম কি ?**

উত্তৰঃ ৰবীনৰ পৰিবাৰৰ নম হ'ল- ৰমলা ।

**( গ ) ফুটবল খেলি থাকোতে কোন ঢুকাল ?**

উত্তৰঃ ফুটবল খেলি থাকোতে সত্য খুড়াৰ ল'ৰাজন ঢুকাল ।

**( ঘ ) ৰবীন কেইটা সন্তানৰ পিতৃ ?**

উত্তৰঃ ৰবীন দুটা সন্তানৰ পিতৃ ।

**( ঙ ) জহীৰুদ্দিনৰ পেচা কি ?**

উত্তৰঃ জহীৰুদ্দিনৰ পেচা হ'ল- ওকালতি ।

**( চ ) ফুৰিবলৈ ওলালে ৰবীনৰ কাৰ লগত তৰ্কাতৰ্কি হয় ?**

উত্তৰঃ ফুৰিবলৈ ওলালে ৰবীনৰ পত্নী ৰমলাৰ লগত তৰ্কাতৰ্কি হয় ।

**( ছ ) পাোনাহঁতে কি বলেৰে ক্ৰিকেট খেলিবলৈ বিচাৰে ?**

উত্তৰঃ পাোনাহঁতে কাঠৰ বলেৰে ক্ৰিকেট খেলিবলৈ বিচাৰে ।

**( জ ) অফিচৰ কাম – কাজত ৰবীনে কিয় মন দিব নাোৱাৰে ?**

উত্তৰঃ অফিচৰ কাম – কাজত ৰবীনে মন দিব নাোৰৰাৰ কাৰণ তেওঁৰ মনত অনবৰতে লাগি থকা ভয় ।

**প্ৰশ্ন ৩ চমু উত্তৰ দিয়া ।**

**( ক ) কেনেকুৱা কথাই ৰবীনৰ মনত ভয়ৰ সৃষ্টি কৰিছিল ?**

উত্তৰঃ ৰাস্তাৰে খাে জকাড়ি গৈ থাকণে গাড়ী মাটৰে খুন্দিয়াই মাৰে বুলি, পোনাকণে ক্ৰিকেট খেলি থাকোতে কাঠৰ বল আহি গাত পৰি পাে নাকণৰ কিবা অঘটন হয় বুলি , শুই থাকোতে বা অফিচত কাম কৰি থাকোতেই মৃত্যু হয় বুলি , তেওঁৰ হঠাতে মৃত্যু হলে ল’ৰা – ছাে ৱালী হাল আৰু পৰিবাৰৰ অৱস্থা কি হ’ব , এনেবাে ৰ কথাই ৰবীনৰ মনত ভয় সৃষ্টি কৰিছিল ।

**( খ ) এদিন আবেলি অফিচৰ পৰা আহি ৰবীনৰ কিয় খং উঠিছিল ?**

উত্তৰঃ এদিন আবেলি অফিচৰ পৰা আহি ৰবীনে দেখিলে সৰু ছাে ৱালীজনী অকলে বাৰাণ্ডাত খেলি আছে , দুৱাৰ খাে লা আছে , তেনে অৱস্থাত তেওঁৰ পত্নীয়ে কোনাে চিন্তা নকৰি গাধাে ৱা ঘৰত গা ধুই আছে। ইয়াকে দেখি ৰবীনৰ পত্নী ৰমলাৰ ওপৰত খং উঠিছিল । কাৰণ ৰবীনৰ ভয় হৈছিল কোনাে বা চোৰে যদি ঘৰৰ বয় – বস্তু , আনকি কণমানি ছাে ৱালীজনীক বাৰাণ্ডাৰপৰা উঠাই লৈ যায় ।

**( গ ) মাজৰাতি ৰবীনে শাে ৱাৰ পৰা উঠি ক’লৈ যাবলৈ ওলাইছিল ? তেওঁ ওলাই যৱাৰ কাৰণ কি ?**

উত্তৰঃ  মাজৰাতি ৰবীনে শাে ৱাৰ পৰা উঠি উকীল জহীৰুদ্দিনৰ ঘৰৰ ফালে যাবলৈ ওলাইছিল । তেওঁ ওলাই যাে ৱাৰ কাৰণ আছিল শুই থকা অৱস্থাতে মানুহৰ এটা কোলাহল তেওঁ শুনিছিল আৰু সেই কোলাহল জহীৰৰ ঘৰৰ ফালে আহি আছে বুলি অনুমান কৰিছিল । তেওঁ জহীৰৰপৰা ছাে ৱালী কেইটাক ৰক্ষা কৰিবলৈ নিৰ্ভয়ে ওলাই যাব বিচাৰিছিল ।

**( ঘ ) গল্পটো পঢ়ি ৰবীন আৰু ৰমলাৰ চিন্তাৰ মাজত ক’ত পাৰ্থক্য পাইছা ?**

উত্তৰঃ গল্পটো পঢ়ি ৰবীন আৰু ৰমলাৰ চিন্তাৰ মাজত এয়ে পাৰ্থক্য পাে ৱা গ’ল যে । ৰবীনে যিমান কথাবাে ৰ চিন্তা কৰে , বিপৰীত কোনাে কথাতে ৰমলাৰ অকণাে চিন্তা নাই । ৰবীনে প্ৰতিমুহূৰ্ততে অৰ্থাৎ চৌবিশ ঘণ্টাই ভয় ভাব এটা লৈ ফুৰে , ৰমলাৰ কিন্তু কোনাে ক্ষেত্ৰতে তেনে ভয় ভাব নাই । ৰবীনে ভাব চিন্তাবাে ৰ যিমান গুৰুত্বসহকাৰে লয় তাৰ বিপৰীতে মলাই অতি সহজভাৱে লয় ।

**প্ৰশ্ন ৪। কোনে , কাক , কেতিয়া কৈছিল লিখা ।**

**( ক ) ‘ইমান ভয়াতুৰ মানুহ মই জনমত দেখা নাই ।’**

উত্তৰঃ পা◌োনাহঁতে কাঠৰ বলেৰে ক্ৰিকেট খেল খেলা দেখি বলটো গাত পৰি পা◌োনাৰ কিবা অঘটন ঘটিব পাৰে বুলি ৰবীনে বৰ ভয় কৰা দেখি আৰু সকলা◌ে সময়তে সকলা◌ে কথাতে মনত ভয় লৈ থকা কাৰণে পত্নী ৰমলাই ৰবীনক এনেদৰে কৈছিল ।

**( খ ) ‘হেৰা শুনিছা ? কোনা◌োবাই চিঞৰা যেন লাগিছে ।’**

উত্তৰঃ কথাখিনি ৰবীনে পত্নী ৰমলাক কৈছে । ৰবীনে সকলা◌ে সময়তে সকলা◌ে কথাতে ভয় ভয় কৰি চলে । সিদিনা ৰবীনৰ মাজৰাতি হঠাতে টোপনি ভাগি গ'ল। কাণপাতি শুনিলে । কোনা◌োবাই চিঞৰ বাখৰ কৰা যেন লাগিল । তেতিয়া ৰবীনে পত্নী ৰমলাক এনেদৰে কৈছিল ।

**( গ ) ‘আজি মই তাৰ ল’ৰা – ছোা◌োৱালীক ৰক্ষা কৰিবলৈ নগলে কালিলৈ মা◌োৰ ল’ৰা ছা◌োৱালীক ৰক্ষা কৰিবলৈ কোন আহিব ? ’**

উত্তৰঃ ৰবীনৰ মনত চৌবিশ ঘন্টাই ভয় এটা লাগি থাকে। সিদিনা মাজৰাতি ৰবীনে হঠাতে সাৰ পাই বাহিৰত কোনা◌োবাই চিঞৰ বাখৰ কৰা যেন লাগিল । চিঞৰটো চুবুৰীতে ভাৰাত থকা উকীল জহীৰুদ্দিনৰ ঘৰৰ ফালে বুলি অনুমান কৰিলে । তেওঁ তৎক্ষণাত উঠি আহি দুৱাৰ খুলি বাহিৰলৈ যাবলৈ খুজিলে ।

তাকে দেখি যেতিয়া পত্নী মলাই আতংকেত চিঞৰি সুধিলে ‘ তুমি ক’লৈ যা◌োৱা’— তেতিয়া ৰবীনে ৰমলাক এনেদৰে কৈছিল ।

**প্ৰশ্ন ৫ দফাটো পঢ়া আৰু তাৰ লগত সংগতি ৰাখি প্ৰশ্ন যুগুত কৰা ।**

*‘ কোলাহল জহীৰুদ্দিনৰ ঘৰৰ ফালৰ পৰা নহয় জানা◌ে ? জহীৰুদ্দিনে এই চুবুৰীত ঘৰভাৰা লৈ থাকে , ওকালতি কৰে । ভদ্ৰ আৰু বিনয়ী ডেকা । চুবুৰীৰ সকলা◌োৰে লগত ভাল । ভিন ভিন ঠাইৰ মানুহে জহীৰুদ্দিনৰ ঘৰ আক্ৰমণ কৰিবলৈ আহিছে নেকি ?*

উত্তৰঃ ( ক ) ‘কোলাহল জহীৰুদ্দিনৰ ঘৰৰ ফালৰ পৰা নহয় জানা◌ে ? ‘ কথাষাৰ কোনে কাক কৈছে ?

( খ ) জহীৰুদ্দিন কোন ? তেওঁ ক’ত কেনেকৈ থাকে ?

( গ ) জহীৰুদ্দিনে কি কৰে ?

( ঘ ) জহীৰুদ্দিন কেনেকুৱা স্বভাৱৰ ডেকা ।

( ঙ ) চুবুৰীৰ মানুহৰ লগত জহীৰুদ্দিনৰ সম্পৰ্ক কেনেকুৱা ?

( চ ) কোলাহল শুনি ৰবীনৰ কেনেধৰণৰ সন্দেহ হৈছিল ?

**প্ৰশ্ন ৬ । তলৰ বাক্য কেইশাৰীৰ অৰ্থ বুজাই লিখা ।**

**( ক ) উচ্ছৃংখল জনতা দাবানলৰ দৰে ।**

উত্তৰঃ দাৱানলে এফালৰপৰা কেঁচা – পকা , ভাল বেয়া সকলো বস্তুকেই নিমিষতে পুৰি ছাই কৰি দিয়ে । সকলো বস্তু ধ্বংসস্তুপত পৰিণত হয় । ঠিক সেইদৰে উচ্ছৃংখল জনতা পাগলৰ দৰে । উচ্ছৃংখল জনতাৰ হিতাহিত জ্ঞান তথা ভাল – বেয়া , উচিত অনুচিত চিন্তা কৰাৰ ক্ষমতা নাথাকে । সমুখত যি পায় , সকলোকে মাৰপিট কৰি , ভাঙি চিঙি নষ্ট কৰি পেলায় , ধ্বংসস্তুপত পৰিণত কৰি পেলায় ।

**( খ ) ‘দাবানল সৃষ্টি কৰাৰ কাৰণে ফিৰিঙতি এটাই যথেষ্ট ।’**

উত্তৰঃ এটা সামান্য ফিৰিঙতিৰ পৰাই প্ৰকাণ্ড জুই একুৰাৰ সৃষ্টি হ’ব পাৰে । সেই কাৰণেই কয় “ ‘ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ ‘ । ঠিক সেইদৰে সামান্য ভুল এটাৰ কাৰণেই ডাঙৰ ক্ষতি হ’ব পাৰে । সমাজত এটা মাত্ৰ বেয়া মানুহৰ পৰাই গোটেই সমাজখনৰ অনিষ্ট হ’ব পাৰে ।

সেইকাৰণে সামান্য ফিৰিঙতি বুলি যিদৰে আওকাণ কৰিব নালাগে সেইদৰে সামান্য ভুল বুলি , সামান্য এটা মাত্ৰ বেয়া মানুহ বুলি কেতিয়াও উলাই কৰিব নালাগে ।

**( গ ) ‘বিভিন্ন ধৰ্ম , বিভিন্ন ভাষা , বিভিন্ন সম্প্ৰদায় , কিমান জাতি আৰু উপজাতি ! অসংখ্য খণ্ডিত সত্তাৰ এয়েই অমোঘ পৰিণতি ।’**

উত্তৰঃ পৃথিৱীত বিভিন্ন ধৰ্ম , বিভিন্ন ভাষা , বিভিন্ন সম্প্ৰদায় , বিভিন্ন জাতি উপজাতি থকাৰ কাৰণেই মানুহৰ মাজত বিভেদতাৰ সৃষ্টি হৈছে । এইবোৰ নাথাকি এক ধৰ্ম , এক মানৱ জাতি হিচাপে যদি থাকিলেহেঁতেন মানুহৰ মনত বিভেদতা , বিচ্ছিন্নতাৰ ভাব নাজাগি মৰম চেনেহ ঐক্য সংহতিৰে বসবাস কৰিলেহেঁতেন ।

জাতি , ধৰ্ম , ভাষা – সম্প্ৰদায়ৰ এই বিভেদতা থকাৰ কাৰণেই আনবাোৰে জহীৰক আক্ৰমণ কৰিবলৈ অহাৰ দৰে পৰিণতি হৈছে ।

**প্ৰশ্ন ৭। 'ভয়' গল্পটিৰপৰা তাোমাৰ জীৱনৰ কাৰণে প্ৰয়াোজনীয় কি কি কথা শিকিলা লিখা ।**

উত্তৰঃ ' ভয়' গল্পটিৰপৰা মাোৰ জীৱনৰ কাৰণে প্ৰয়াোজনীয় এই কথাকে শিকিলে যে জীৱনত সকলাো সময়তে ভয় কৰি থাকিব নালাগে । ভয়ে মানুহক সকলাো ক্ষেত্ৰতে দুৰ্বল  কৰি ৰাখে , কামত মনাোযাোগ দিয়াত বাধা জন্মায় । কিন্তু নিজ কৰ্তব্যৰ প্ৰতি সজাগ হলে ভয় আঁতৰি মনলৈ দুৰ্দম সাহস আহে ।

**প্ৰশ্ন ৮। তলৰ শব্দবাোৰেৰে একোটাকৈ বাক্য গঠন কৰা ।**

**আওহতীয়া , সন্তৰ্পণে , লানিনিছিগা , অন্যমনস্ক , অমাোঘ , উৎশৃংখল, দাবানল , ছাৰখাৰ , উৎকৰ্ণ , কোলাহল ।**

উত্তৰঃ  **আওহতীয়া :-**  যাতায়াত ব্যৱস্থা নথকা আওহতীয়া ঠাইলৈ গৈ চাকৰি কৰাটো বৰ কষ্টক ।

**সন্তৰ্পণে :-**  কোনেও কব নাোৱাৰাকৈ অতি সন্তৰ্পণে সি এই কামটো কৰি গুচি গ'ল ।

**লানি নিছিগা :-**  ইটোৰ পিছত সিটোকৈ লানি নিছিগা সমস্যাই তাক অতিষ্ঠ কৰি তুলিছে ।

**অন্য মনস্ক :-**  অন্যমনস্ক হৈ কাম কৰিলে কামত বেমেজালি ঘটে ।

**অমাোঘ :-** পৰিশ্ৰমেই জীৱনৰ সফলতাৰ অমাোঘ , অস্ত্ৰ ।

**উৎশৃংখল :-**  উৎশৃংখল জনতা দাৱানলৰ দৰে।

**দাৱানল :-** উৎশৃংখল জনতাই  দাৱানলৰ দৰে ।

**ছাৰখাৰ :-** উৎশৃংখল জনতাই দোকান – বজাৰ সকলাো ভাঙি ছিঙি ছাৰখাৰ কৰি পেলালে ।

**উৎকৰ্ণ :-** দূৰত কি ঘটিছে উৎকৰ্ণ হৈ শুনা ।

**কোলাহল :-** শোভাযাত্ৰাৰ কোলাহল শুনি ল'ৰা – ছোৱালীবোৰে চাবলৈ দৌৰি আহিছে ।

**প্ৰশ্ন ৯। তলত দিয়া দফাটো যতি চিন ব্যৱহাৰ কৰি পুনৰ লিখা ।**

মানুহৰ সুখ শান্তিৰ এক প্ৰকাৰ অন্তৰায় হৈছে ক্ৰোধ কলা-কৃষ্টিৰ প্ৰতি আকৰ্ষণ সেই ক্ৰোধ নাশ কৰি মানুহৰ মনৰ কোমল প্ৰবৃত্তি সমূহ জগাই তোলে সেই কাৰণে এটা পৰিয়ালত খেল ধেমালি নাচ – গান আদিৰ প্ৰতি থকা ৰাপ আদৰ আৰু পৰিৱেশৰ পৰা সেই পৰিয়ালত থকা সুখ শান্তিৰ উমান পাব পাৰি মাঘ বিহুত মেজি সজা ভোজে ভাত খোৱা হৈ গুদু ঢোপ খেল ঢোল পেঁপা গগনাৰ তালে তালে বিহু নচা আৰু দেৱালী আদি উৎসৱত মানুহে সমূহীয়াভাৱে মনৰ আনন্দকে প্ৰকাশ কৰে

উত্তৰঃ মানুহৰ সুখ – শান্তিৰ এক প্ৰবল অন্তৰায় হৈছে ক্ৰোধ । কলা – কৃষ্টিৰ প্ৰতি আকৰ্ষণে সেই ক্ৰোধ নাশ কৰি মানুহৰ মনৰ কোমল প্ৰবৃত্তি সমূহ জগাই তোলে । সেই কাৰণে এটা পৰিয়ালত খেল – ধেমালি , নাচ – গান আদিৰ প্ৰতি থকা ৰাপ , আদৰ আৰু পৰিৱেশৰ পৰা সেই পৰিয়ালত থকা সুখ – শান্তিৰ উমান পাব পাৰি ।

মাঘৰ বিহুত মেজি সজা , ভোজে ভাত খোৱা , হৈ গুদু , ঢোপ খেল , ঢোল , পেঁপা গগনাৰ তালে তালে বিহুনচা আৰু দেৱালী আৰু উৎসৱত মানুহে সমূহীয়াভাৱে মনৰ আনন্দকে প্ৰকাশ কৰে ।

**প্ৰশ্ন ১০। তলৰ আঁচটনা শব্দবিলাকত কি কি বিভক্তি যুক্ত হৈছে লিখা ।**

**( ক ) নদৰ্মালৈ নামি গ'লেহে হ'ব ।**

উত্তৰঃ  চতুৰ্থী বিভক্তি ।

**( খ ) কিছুদিনৰ পৰা পোনাহঁতেও ক্ৰিকেট খেলাত ধৰিছে ।**

উত্তৰঃ পঞ্চমী বিভক্তি ।

**( গ ) অফিচত কাম কৰি থাকিও হঠাতে ৰবীনৰ বুকুখন ধৰফৰাই উঠে ।**

উত্তৰঃ সপ্তমী বিভক্তি ।

**( ঘ ) মই তাৰ ল’ৰা – ছ্বাােৱালীক ৰক্ষা কৰিবলৈ নগ’লে কালিলৈ মাােৰ ল’ৰা – ছ্বাােৱালীক ৰক্ষা কৰিবলৈ কোন আহিব ?**

উত্তৰঃ ছ্বাােৱালীক – দ্বিতীয়া বিভক্তি ।

কৰিবলৈ – চতুৰ্থী বিভক্তি ।

**প্ৰশ্ন ১১। ভাৱ বহলাই লিখা ।**

**( ক ) অতি মাত্ৰা সকলাােৰে বেয়া ।**

উত্তৰঃ জোখতকৈ বেছি খালে বেমাৰ হয় । প্ৰয়ােজনতকৈ বেছি ধন – ধান থাকিলে মানুহ প্ৰায়ে অংহকাৰী হয় , চোৰ – ডকাইতৰ ভয়ত টোপনি নাহে , অশান্তি বাঢ়ে । দিব লগা বা কৰিব লগা মৰমতকৈ বেছি মৰম কৰিলে সন্তান নষ্ট হয় , লাই পাই কথা নুশুনা হয় । কথাতে কয় লাই পাই অৰ্থাৎ বেছি মৰম পাই কুকুৰেও বুকুলৈ ডেৱায় । ক’ব লগা কথাখিনিতকৈ বেছি কলে বিপদতহে পৰা যায় ।

প্ৰয়ােজনতকৈ অত্যধিক শাসনতাে ল’ৰা ছ্বাােৱালী নষ্ট হয় , ফাঁকি দিবলৈ বাধ্য হয় । খৰচৰ ক্ষেত্ৰততো অতিমাত্ৰা খৰছে , মানুহক দেৱলীয়া কৰে । অত্যধিক মদ বা ৰাগীয়াল বস্তু সেৱন ঘৰখনৰ অশান্তিৰ কাৰণ হয় হানকি সেৱন কৰা লােকৰ বাবে মৃত্যুৰ কাৰণাে হয় । মিতিৰৰ ঘৰলৈয়াে বৰ বেছি অহা – যােৱাই সম্বন্ধত কেৰােণ লগায় । এইদৰে দেখা যায় অতিমাত্ৰা সকলাােৰে বেয়া ।

**( খ ) ফিৰিঙতিৰ পৰা ৰাওৱ দাহ হয় ।**

উত্তৰঃ সামান্য ফিৰিঙতিৰ পৰাই মহাভাৰতৰ উল্লেখ থকা খাণ্ডৱ বন পুৰি ভস্মীভূত হৈছিল । কিয়নাে সামান্য ফিৰিঙতিৰ পৰাই দাৱানলৰ অৰ্থাৎ প্ৰকাণ্ড জুইৰ সৃষ্টি হয় আৰু সিয়ে সকলােকে পুৰি ছাই কৰি দিব পাৰে ।

ঠিক সেইদৰে সামান্য ভুল কথা এটিৰ পৰাই ডাঙৰ ক্ষতি হব পাৰে। সমাজত এটা মাত্ৰ বেয়া মানুহৰ পৰাই সমাজ তথা দেশৰাে ডাঙৰ অনিষ্ট হ’ব পাৰে । সেই কাৰণে সামান্য ফিৰিঙতি বুলি যিদৰে আওকাণ কৰাটো উচিত নহয় সেইদৰে সামান্য

ভুল বা কথা বুলি বা সামান্য এটা মাত্ৰ বেয়া মানুহ বুলি তাক কেতিয়াও উলাই কৰিব নালাগে ।

**প্ৰশ্ন ১২। তলত দিয়া শব্দবা েৰৰ সন্ধি ভাভা আৰু পাতা ।**

**( ক ) ভাবাবেগ , পৰীক্ষা , নিশব্দ , ভয়াতুৰ , যথেষ্ট ।**

উত্তৰঃ ভাবাবেগ = ভাব + আগে ।

পৰীক্ষা = পৰি + ঈষা ।

নিশব্দ = নিঃ + শব্দ ।

ভয়াতুৰ = ভয় + আতুৰ ।

যথেষ্ট = যথা + ইষ্ট ।

**( খ ) উৎশৃঙ্খল,উৎসাহ, নিশ্চিন্ত, সন্মুখ,শিৰচ্ছেদ**

উত্তৰঃ উৎ + শৃঙ্খল = উৎশৃঙ্খল , ।

উৎ + শ্বাস = উৎসাহ ।

নিঃ + চিন্ত = নিশ্চিন্ত ।

সম + মুখ = সন্মুখ ।

শিৰঃ + ছেদ = শিৰচ্ছেদ ।

**প্ৰশ্ন ১৩। ( ক ) সাধুকথা আৰু চুটিগল্প মাজত থকা পাৰ্থক্য লিখা ।**

উত্তৰঃ গল্প কোৱা বা শুনাৰ মানুহৰ আদিম প্ৰবৃত্তিয়েই সাধুকথা আৰু চুটিগল্পক জন্ম দিছে যদিও দুয়া েৰে মাজত যথেষ্ট পাৰ্থক্য আছে । সাধুকথাসমূহত কিছুমান নীতিমূলক উপদেশমূলক কথা থাকে। বাস্তৱ – অবাস্তৱ, লৌকিক – অলৌকিক

সকলাে কথাই সাধুকথাত স্থান পায় । কিন্তু চুটিগল্প সদায় বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত ।

বৰ্তমানৰ জটিল জীৱন চিত্ৰ টিগল্পত প্ৰকাশিত হয় । অলৌকিকতা সাধুকথাৰ অন্যতম উপাদান । কিন্তু চুটিগল্পৰ বৰ্ণনা সীমাবদ্ধ বিষয়বস্তু , চৰিত্ৰ , প্ৰকাশভংগী সকলােতে এই সীমাবদ্ধতাৰ চিন । তাৰ উপৰি আলৌকিকতা বা অবাস্তৱতাৰ কোনাে স্থান চুটিগল্পত নাই । সাধুকথাবােৰ বৰ্ণনাত্মক ।

সাধুকথাৰ ঘটনা পৰম্পৰাৰ সংযােগ শিথিল। ইবােৰৰ উদ্দেশ্য একোটা নৈতিক শিক্ষা দিয়া । কিন্তু গল্পৰ ঘটনা পৰম্পৰা শিথিল নহয় আৰু গল্পৰ জৰিয়তে কোনাে নীতিশিক্ষা দিয়া নহয় । সাধুকথাত মানুহৰ উপৰিও বিভিন্ন জীৱ – জন্তু , জড় – চেতনা সকলাে পদাৰ্থই অংশ গ্ৰহণ কৰে । চুটিগল্পত এনেবােৰ অবাস্তৱ কথা নাথাকে । চুটিগল্পৰ চৰিত্ৰ সদায় মানুহ ।

মানুহৰ জীৱনৰ আশা – নিৰাশা , প্ৰেম – প্ৰীতি , হাঁহি – কান্দোনেই চুটিগল্পৰ বিষয়বস্তু । চুটিগল্পত জীৱনৰ বিশ্লেষণ কৰা হয় , লেখকৰ জীৱন – জিজ্ঞাসা থাকে । সাধুকথাত এইবােৰ অনুপস্থিত । সাধুকথা নিৰক্ষৰ জনসাধাৰণৰ ৰুচিৰ প্ৰতি লক্ষ্য কৰি ৰচিত । কিন্তু চুটিগল্প আধুনিক যুগৰ সৃষ্টি । আধুনিক যুগৰ যুক্তিপ্ৰৱণ মানুহৰ মনৰ খােৰাক যােগাব । পৰাতেই চুটিগল্পৰ সাৰ্থকতা ।

**( খ ) সাধুকথাৰ বৈশিষ্ট্যবােৰ লিখা ।**

উত্তৰঃ আমােদজনক কাহিনী কোৱা আৰু শুনাৰ আদিম প্ৰবৃত্তিয়েই সাধু কথা সৃষ্টি মূল । ইয়াৰ বৈশিষ্ট্যসমূহ এনেদৰে উল্লেখ কৰি পাৰি—

১। বাস্তৱ , অবাস্তৱ , লৌকিক , অলৌকিক সকলাে কথাই ইয়াৰ বিষয়বস্তু তথা ইয়াত স্থান পায় ।

২। মানুহত বাহিৰেও আন জীৱ – জন্তু আৰু প্ৰকৃতিৰ সকলাে বস্তুতেই মানুহৰ মুখৰ ভাষা , গীত – মাত প্ৰয়ােগ কৰা হয় ।

৩। এক নম্বৰত উল্লেখ কৰাৰ দৰে অলৌকিকতা সাধুকথাৰ প্ৰধান বৈশিষ্ট্য ।

৪। প্ৰতিটো সাধুকথাতে নীতিমূলক তথা হিতােপদেশ থাকে ।

৫। সাধুকথাবোৰ বৰ্ণনাত্মক ।

৬। সাধুকথাত ঘটনা পৰম্পৰাৰ সংযোগ শিথিল ।

৭। সাধুকথা নিৰক্ষৰ জনসাধাৰণৰ ৰুচিৰ প্ৰতি লক্ষ্য কৰা ৰচিত হয় ।

৮। অতি প্ৰাচীন কালৰপৰা সাধুকথা মুখে মুখে প্ৰচলিত হৈ অহাৰ কাৰণে ইয়াৰ ৰচকৰ নাম পাবলৈ নাই ।

**( গ ) চুটি গল্পৰ বৈশিষ্ট্যবোৰ লিখা ।**

উত্তৰঃ চুটি গল্পৰ বৈশিষ্ট্যসমূহ চমুকৈ তলত উল্লেখ কৰা হ'ল—

১। চুটিগল্প বাস্তৱতাৰ ওপৰত আধাৰিত কাহিনী । এই কাহিনী বা ঘটনাৰ বিৱৰণ নিৰ্দিষ্ট পৰিধিৰ মাজত বিকাশ লাভ কৰিব লাগে ।

২। কথোপকথন তথা প্ৰকাশভঙ্গিত এটি সুন্দৰ পৰিৱেশ সৃষ্টি হ'ব লাগে , যাৰ দ্বাৰ গল্পটিৰ হুবহু চিত্ৰ এটি পাঠকৰ চকুৰ আগত থিয় হয়হি ।

৩। উদ্দেশ্যৰ ঐক্য আৰু ঘটনাৰ ঐক্য তথা ধাৰণাৰ ঐক্য সংৰক্ষিত হ'ব লগাটো চুটি গল্পৰ অন্যতম বৈশিষ্ট্য ।

৪। চুটিগল্প আকস্মিকভাৱে আৰম্ভ হয় আৰু আকস্মিকভাৱে সমাপ্ত হয় ।

৫। চুটিগল্পত লেখকৰ নাম পোৱা যায় ; কাৰণ ই আধুনিক সাহিত্যৰ সৃষ্টি । গতিকে জীৱন আৰু ঘটনাৰ লগত সমকভাৱে জড়িত বা অভিজ্ঞতাৰ দ্বাৰাহে একোটা ভাল চুটি গল্পৰ সৃষ্টি হ'ব পাৰে । আনহাতে কাহিনী বা বিষয় বস্তু আৰু প্ৰকাশভংগীৰ মনিকাঞ্চন সংযোগেহে উৎকৃষ্ট গল্প সৃষ্টি কৰিব পাৰে ।

**( ঘ ) অসমীয়া চুটিগল্পৰ জনক কোন ?**

উত্তৰঃ অসমীয়া চুটিগল্পৰ জনক হ'ল- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ।

**( ঙ ) শীলভদ্ৰৰ প্ৰকৃত নাম কি ?**

উত্তৰঃ শীলভদ্ৰৰ প্ৰকৃত নাম হ’ল- ৰেৱতী মাোহন দত্ত চৌধুৰী ।

**( চ ) শীলভদ্ৰৰ জন্ম কত হৈছিল ?**

উত্তৰঃ শীলভদ্ৰৰ জন্ম গাোৱালপাৰা জিলাৰ গৌৰীপুৰত হৈছিল ।

**( ছ ) শীলভদ্ৰই কোনখন গল্পসংকলনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে ?**

উত্তৰঃ শীলভদ্ৰই ‘ মধুপুৰ বহুদূৰ নামৰ গল্প সংকলনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে ।

**( জ ) শীলভদ্ৰৰ কোন চনত মৃত্যু হৈছিল ?**

উত্তৰঃ শীলভদ্ৰৰ ২০০৮ চনৰ ২৯ ফেব্ৰুৱাৰীত মৃত্যু হৈছিল ।

**প্ৰশ্ন ১৪। হঠাৎ আমি বহি থকা শ্ৰেণীকোঠাটো লৰি উঠিল । আমি সকলাোৱে আতংকিত হৈ শ্ৰেণীৰ পৰা বাহিৰলৈ ওলাই আহিলোঁ । দুই এজনৰ তত্মৎ হেৰাল ।**

**ওপৰৰ বাক্যসমূহ পঢ়ি তাৰ আলমত দুই এটা বৈশিষ্ট্য প্ৰকাশ হাোৱাকৈ চুটিগল্প এটা লিখিবলৈ যত্ন কৰা ।**

উত্তৰঃ  কি হ’ল জানাো আমি ততেই ধৰিব নাোৱাৰিলো । আমি বহি থকা শ্ৰেণীৰ কোঠাটো হঠাতে লৰি উঠিল । মই প্ৰথমতে ভাবিলাো মই বহি থকা বেঞ্চখন কোনাোবাই লৰাই দিছে । ভাবিলোঁহে কোঠাটো পুনৰ জোৰেৰে লৰিবলৈ ধৰিলে । আমি সকলো আতংকত চিঞৰি উঠিলোঁ আৰু শিক্ষক কোঠাত আছিল যদিও তেখেতৰ আদেশ , পৰামৰ্শলৈ কাণসাৰ নকৰি আমি আটায়ে ভয়ত বাহিৰলৈ ওলাই আহিলাো ।

দুই এজনৰ ভয়তে তত্মৎ হেৰাই তাতেই বাগৰি পৰিল । সিহঁতক কোনাোৰকমে ধৰি মেলি বাহিৰলৈ লৈ আহিলাো । আমাতকৈ আমাক পঢ়াই থকা ছাৰৰহে ভয়তাো বেছি দেখা পালাো । তেওঁ আমাক এৰি বাহিৰলৈ ওলাই যাোৱাত বৰ তৎপৰ হাোৱা দেখিলাো । আমি আটায়ে সমুখৰ মুকলি ঠাইখনত থিয় হাোৱাৰ আগতেই লৰি উঠাটো লাহে লাহে কমি আহিল ।

আমাৰ ভয় আতংক নােহােৰা হ'ল । এয়া আছিল ভূমিকম্প । জীৱনত । ভূমিকম্পৰ এনে জোকাৰণি প্ৰথম পাইছো । পিছত ছাৰে ভূমিকম্প সম্পৰ্কে আমাক কিছু কথা বুজাই ক'লে আৰু ভূমিকম্প আহিলে কি কৰিব লাগে তাৰৰ আভাস এটা দিলে ।

দেখিলাে তৎ মৎ হেৰাই বাগৰি পৰা এজনৰ ভৰিত তেজ ।

**প্ৰশ্ন ১৫। প্ৰসিদ্ধ অসমীয়া চুটিগল্পকাৰ সকলৰ ভিতৰত পাঁচজনৰ নাম সংগ্ৰহ কৰা আৰু তেওঁলােকৰ যিকোনাে এজনৰ এটা গল্প চমুকৈ লিখা।**

উত্তৰঃ প্ৰসিদ্ধ অসমীয়া চুটি গল্পকাৰসকলৰ ভিতৰৰ পাঁচজনৰ নাম হ'ল স্নেহ দেৱী , নিৰুপমা বৰগােহাঁই , ড ° ভবেন্দ্ৰ নাথ শইকীয়া , যােগেশ দাস , শীলভদ্ৰ ।

ইয়াৰে ভিতৰত ৰামধেনু যুগৰ প্ৰসিদ্ধ গল্প লেখিকা স্নেহ দেৱীৰ এটি গল্প 'জননী'ৰ কাহিনীভাগ চমুকৈ লিখা হ'ল । মাক পুতেকৰ মতান্তৰত কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত ই এটি তাৎপৰ্যপূৰ্ণ গল্প ।

জননী

– স্নেহ দেৱী

নানান দুখ ভােগ কৰি মাকে সকলােৰে অৱহেলিত আদিত্যক মানুহ কৰিলে । আদিত্যৰ বাপেক সৰুতেই ঢুকাল । মাকে কটনা কাটি অশেষ কষ্ট স্বীকাৰ কৰি আদিত্যক ডাঙৰ – দীঘল কৰিলে । পিছে আদিত্য আছিল সৰুৰে পৰা উতনুৱা প্ৰকৃতিৰ । সি সৰুৰে পৰাই কিছু অত্যাচাৰী প্ৰকৃতিৰ আছিল যদিও মাকে একমাত্ৰ পুতেকৰ সকলাে গঞ্জনা নীৰৱেই সহ্য কৰিছিল , সন্ধ্যা তুলসীৰ তলত চাকি জ্বলাই আদিত্যৰ মংগল কামনা কৰিছিল ।

সময় আগবঢ়াৰ লগে লগে আদিত্যৰ উতনুৱা স্বভাৱটো কিছু কমিল । আদিত্যই ঠিকাদাৰ এজনৰ তলত সামান্য মহৰী কাম কৰি দুপইচা আৰ্জিবলৈ ধৰিলে । পিছে অলপ পইচাৰ মুখ দেখি সি এদিন হঠাৎ মাকক নােসােধাকৈ তৰলা নামৰ ছােৱালী এজনী বিয়া কৰাই আনিলে । দুয়ােখন ঘৰৰ পৰিৱেশৰ অকণাে মিল নাই ।

বাােৰাৰীয়েকে শাহুৰেকক আপাােন বুলি ভাবিব নাােৰাৰিলে । মাকে আশা কৰিছিল । বাােৰাৰীৰ হাতেৰে এটুপি পানী , এমুঠি ভাত খাবলৈ পাব । কিন্তু দুদিন নৌযাওঁতেই মাকৰ সেই আশা মষিমূৰ হ'ল । আদিত্যৰ দুকোঠালিৰ ঘৰটোত মাক থাকিবৰ উপযুক্ত নহ'ল , ৰান্ধনি ঘৰৰ চুক এটাত মাকে বিছনা এখন পাৰি ল'লে । বাােৰাৰীয়েক তৰলাই ভাত – পানী ৰন্ধাৰ দায়িত্ব নল'লে । মাকে আগৰ দৰে ঘৰখনৰ সকলাে কাম – বন কৰিব লগা হ'ল ।

বাােৰাৰীয়েক তৰলাই শাহুৰেকক আপাােন বুলি ভাবিব নাােৰাৰাত আদিত্য যেন ক্ৰমান্বয়ে , মাকৰ পৰা আঁতিৰি যাবলৈ ধৰিলে । ঘৰত মাকে পুতেকৰ পৰা ভাল মাত এষাৰাে শুনিবলৈ নাােপাােৱা হ'ল । বাােৰাৰীয়েকে সদায় মাকৰ বিৰুদ্ধে আদিত্যক লগাই থাকে । খাােৱা – বাােৱাতাে মাকৰ কষ্টহ'বলৈ ধৰিলে ।

খাবলৈ নাপাই শুকাই – খীণাই যাােৱা মাকে ঘৰৰ বাৰাণ্ডাত আঁৰি থাােৱা কেলেণ্ডাৰৰ মাক – পুতেক এহালৰ ছবি এখন চায়েই তেওঁৰ পুতেকৰ লগৰ সম্পৰ্কৰ কথা কল্পনা কৰি সান্ত্বনা লাভ কৰে ।

সময় বাগৰি যায় । তৰলা এটা পুত্ৰ সন্তানৰ মাক হ'ল । পিছে এতিয়া কেঁচুৱাৰ লেতেৰা কাপাােৰ কানি ধাােৱাৰ দায়িত্ব পৰিল আদিত্যৰ মাকৰ ওপৰত । মাকৰ কোলাত থকা কেঁচুৱাটো চাই চাই আদিত্যৰ মাকে হেঁপাহ পলুৱায় । পিছে এনেকৈ চোৱাৰ বাবেই তৰলাই মাকক ডাইনী আখ্যা দিলে । বাােৰাৰীয়েকে শাহুৰেকক ।

কেঁচুৱাটো ল'বলৈ নিদিয়ে । আদিত্যৰ মাকৰ আৰু এতিয়া জীয়াই থকাৰ ইচ্ছা নাােহাােৱা হৈছে । তথাপি আদিত্যৰ মাক এনেদৰে লাঞ্ছনা – গঞ্জনা খায়াে জীয়াই আছে ।

এদিন কেঁচুৱাটোৱে দিনৰ দিনটো কান্দি আছে । মাকে নিচুকাব পৰা নাই । ৰাতিলৈ বমি আৰু শৌচ কৰিবলৈ ধৰিলে । কান্দি কান্দি ল'ৰাটোৰ মুখখন ক'লা পৰি গৈছে । আদিত্যৰ মাকে কেঁচুৱাৰ কান্দোন শুনি ইচাট – বিচাট কৰি আছে । আদিত্যক এবাৰ কেঁচুৱাটো মাকৰ ওচৰলৈ আনি দিবলৈকো কৈছিল । কেঁচুৱাৰ আমনিত তৰলা অতিষ্ঠ হৈ পৰিল ।

তাই কান্দি থকা কেঁচুৱাটো গাৰ বলেৰে চৰ এটা মাৰি মৰিবলৈ শাও দিয়া দেখি আদিত্যৰ যেন মাােহভংগ ঘটিল । সি তৰলাৰ কোলাৰ পৰা একে আজোৰে কেঁচুৱাটো কাঢ়ি আনি মাকৰ কোঠা পালেগৈ আৰু অনুতাপত দগ্ধ হৃদয়েৰে কেঁচুৱাটো মাকৰ হাতত তুলি দি মাকক গবা মাৰি ধৰি ক্ষমা বিচাৰে ।

আদিত্যৰ চকুলাোৰে মাকৰ ভৰিৰ পতা দুখন তিয়াই পেলায় । মাকৰ প্ৰতি কৰা অবিচাৰৰ বাবে অনুতপ্ত আদিত্যক – দেখি আনন্দত , বিস্ময়ত , আৱেগত , বেদনাত মাকৰ মুখৰপৰা কোনাো কথা নাোলাল । চকুৰ পৰা মাথাোন দুটোপাল চকুপানী নিৰ্মালিৰূপে আদিত্যৰ শিৰত পৰিলহি ।